জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৩/২০২১

<u>যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# আগন্তুক দিনত ৰাজ্য চৰকাৰে প্ৰতিটো উন্নয়ন খণ্ডতে একোখনকৈ মহাবিদ্যালয় স্থাপন কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট জিলাৰ কলিয়াপানীত যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে এই মহাবিদ্যালয়খন ১৪.৭৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হ'ব আৰু ২৪ মাহৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ শৈক্ষিক পৰিৱেশৰ বিকাশ সাধনৰ বাবে ৰাজ্য চৰকাৰৰ দায়বদ্ধতাক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে অসম চৰকাৰে ডিব্ৰুগড়, উত্তৰ লখিমপুৰ, ৰঙিয়া, ধুবুৰী, ডিফু, শিলচৰ, তেজপুৰ, নলবাৰী আৰু নগাঁৱত আইন মহাবিদ্যালয় স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে আইন শিক্ষাৰ ক্ষেত্ৰত সকলো ধৰণৰ আধুনিক সুবিধা লাভ কৰিব পাৰে, সেয়া সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে এনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ কয়।

পূৰ্বতে কিছু সমাজহিতৈষী ব্যক্তিৰ প্ৰচেষ্টাত ব্যক্তিগতভাৱে আইন মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ লগতে পৰিচালিত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে চৰকাৰীভাৱে আইন মহাবিদ্যালয় স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে তুলনামূলকভাবে কম খৰচতে ছাত্ৰ-ছাত্ৰীসকলে যাতে গুণগত আইন শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এনে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে উদ্যোগ লৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ কাৰ্যকৰণৰ বাবে ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যখনতে এই নীতিৰ বিভিন্ন ব্যৱস্থাৱলী ৰূপায়ণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে যাতে গুণগত শিক্ষাৰ প্ৰসাৰ সাধন কৰিব পৰা যায়। তেওঁ লগতে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ অংশ হিচাপে ২০২২ চনৰ ভিতৰত ৩ হাজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনত বিশ্ববিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছে। তেওঁ লগতে কয় যে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ নৱ প্ৰজন্মক উচ্চ শিক্ষাৰে সামৰি লোৱাৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডতে একোখনকৈ মহাবিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদদ্বয় ক্ৰমে তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰেণুপমা ৰাজখোৱা, প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**১৫-০৯-২০২১**